**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 11-03-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কেৰালাম আৰু তামিলনাডুত কেইবাটাও উন্নয়ন প্ৰকল্পৰ শুভাৰম্ভ কৰাৰ লগতে আধাৰশিলা স্থাপন কৰিব।

২। অসামৰিক বিমান পৰিবহণ মন্ত্ৰ্যালয়ে পশ্চিম এছিয়াৰ শেহতীয়া স্থিতিৰ পৰিপ্ৰেক্ষিতত ভাৰত তথা পশ্চিম এছিয়াৰ মাজৰ বিমান পৰিবহণৰ ক্ষেত্ৰত তীক্ষ্ণ দৃষ্টি ৰাখিছে বুলি মন্তব্য কৰিছে।

৩। পশ্চিম এছিয়াত চলি থকা সংঘাতৰ ফলত হৰমুজ প্ৰণালীৰে জাহাজ চলাচল সম্পূৰ্ণ স্থগিত হৈ পৰিছে।

৪। ডি আৰ ডি অ' আৰু নৌসেনাই থলুৱভাৱে বিকশিত এয়াৰ ড্ৰপেবল কণ্টেইনাৰৰ উৰণকালীন মুকলিকৰণ প্ৰক্ৰিয়াৰ ৪টা পৰীক্ষা সফলতাৰে সম্পন্ন কৰিছে। ***আৰু***

৫। নৱীন আৰু নৱীনকৰণযোগ্য শক্তি মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে যোৱা এটা দশকত দেশত অজৈৱিক উৎসৰ পৰা বিদ্যুৎ উৎপাদন ক্ষমতা যথেষ্ট বৃদ্ধি পাইছে বুলি উল্লেখ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি কেৰালাম আৰু তামিলনাডুলৈ যাব। কেৰালামৰ এৰ্নাকুলামত প্ৰধানমন্ত্ৰীয়ে প্ৰায় ১০ হাজাৰ ৮০০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়ন প্ৰকল্পৰ শুভাৰম্ভ কৰাৰ লগতে আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে অনুষ্ঠানৰ সৈতে সংগতি ৰাখি এখন জনসভাকো সম্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে তামিলনাডুৰ তিৰুচিলাপল্লীত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ আন্তঃগাঁথনি, গ্ৰাম্য যোগাযোগ আৰু ঘাইপথ উন্নয়ন খণ্ডত প্ৰায় ৫ হাজাৰ ৬০০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব। তেওঁ দুখন অমৃত ভাৰত এক্সপ্ৰেছ, দুখন এক্সপ্ৰেছ ৰে'ল আৰু এখন যাত্ৰীবাহী ৰে'লৰ শুভাৰম্ভ কৰিব। নাগেৰকইল- চাৰলাপল্লী অমৃত ভাৰত এক্সপ্ৰেছখনে দক্ষিণ তামিলনাডু আৰু তেলেংগানাৰ মাজত যাতায়াত যথেষ্ট উন্নত কৰিব। পদানুৰ-ধনবাদ অমৃত ভাৰত এক্সপ্ৰেছে দক্ষিণ ভাৰত আৰু পূব ভাৰতৰ মাজৰ ৰে'লসেৱা অধিক শক্তিশালী কৰিব। প্ৰধানমন্ত্ৰীয়ে শুভাৰম্ভ কৰিবলগীয়া আন ৰামেশ্বৰম-মাংগালুৰু এক্সপ্ৰেছ, তিৰুনেলভেলী-মাংগালুৰু এক্সপ্ৰেছে অঞ্চলটোত ৰে'ল যোগাযোগ উন্নত কৰাই অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

০০০০০

অসামৰিক বিমান পৰিবহণ মন্ত্ৰ্যালয়ে পশ্চিম এছিয়াৰ শেহতীয়া স্থিতিৰ নিৰীক্ষণ কৰি থকাৰ লগতে ভাৰত তথা পশ্চিম এছিয়াৰ মাজৰ বিমান পৰিবহণৰ ক্ষেত্ৰত পৰিব পৰা প্ৰভাৱ সন্দৰ্ভতো তীক্ষ্ণ দৃষ্টি ৰাখিছে বুলি মন্তব্য কৰিছে। এটা বিবৃতিত মন্ত্ৰ্যালয়ে কৈছে যে যাত্ৰীসকলৰ সুৰক্ষা আৰু সেৱাক অগ্ৰাধিকাৰ দি বিমান কোম্পানীসমূহে শেহতীয়া পৰিস্থিতিৰ সৈতে সংগতি ৰাখি বিমান চলাচলৰ উপযুক্ত ব্যৱস্থা কৰিছে।

মন্ত্ৰালয়ে কৈছে যে শেহতীয়া তথ্য অনুসৰি যোৱা পশ্চিম এছিয়াৰ পৰা ৪৫ খন ভাৰতীয় বিমানযোগে ৭ হাজাৰ ৪০০ গৰাকীতকৈও অধিক যাত্ৰী ভাৰতত উপস্থিত হৈছে।

মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰে যে অসামৰিক বিমান পৰিবহণৰ সঞ্চালকালয়ে বিমানৰ অতিৰিক্ত আগমন আৰু প্ৰস্থানৰ শ্লট উপলব্ধ কৰোৱাৰ লগতে মাস্কট আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰক বিকল্প বিমানবন্দৰ হিচাপে ব্যৱহাৰ কৰাৰ অনুমতি প্ৰদান কৰাৰ বাবে সংশ্লিষ্ট বিষয়াসকলৰ সৈতে আলোচনা অব্যাহত ৰাখিছে। এই ব্যৱস্থা ডুবাই, আবুধাবি, শ্বাৰজাহ, ৰচ অল খেমাহ, অল এন, ফুজেৰা, জদ্দাহ আৰু মদিনাৰ লগতে বিভিন্ন গন্তব্যস্থানৰ পৰা অহা-যোৱা বিমানৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। মন্ত্ৰালয়ে লগতে জানিবলৈ দিয়ে যে এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছে কাইলৈৰ পৰা ৰিয়াদলৈ বিমান চলাচল কৰাৰ লগতে ইণ্ডিগ'ই মুম্বাই-ৰিয়াদৰ মাজত বিমান চলাচল সেৱা আৰম্ভ কৰাৰ ইংগিত দিছে। মন্ত্ৰালয়ে লগতে যাত্ৰীসকলক শেহতীয়া খবৰৰ বাবে তেওঁলোকে যাত্ৰা কৰিবলগীয়া বিমানসমূহৰ সৈতে যোগাযোগ ৰখাৰ পৰামৰ্শ দিছে।

ooooo

প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা, ডি আৰ ডি অ' আৰু নৌসেনাই যৌথভাৱে গোৱাৰ উপকূলত পি-এইট্-আই বিমানৰ পৰা থলুৱাভাৱে বিকশিত এয়াৰ ড্ৰ'পেবল কণ্টেইনাৰ এডিচি-150ৰ চাৰিটা সফল উৰণকালীন মুকলিকৰণ প্ৰক্ৰিয়াৰ পৰীক্ষা সম্পন্ন কৰিছে।

যোৱা ২১ ফেব্ৰুৱাৰীৰ পৰা ০১ মাৰ্চৰ ভিতৰত বিভিন্ন প্ৰত্যাহ্বানপূৰ্ণ পৰিস্থিতিত এই পৰীক্ষাসমূহ চলোৱা হয়। ১৫০ কিলোগ্ৰাম পৰ্যন্ত সামগ্ৰী বহন কৰি মুকলি কৰিব বা পেলাব পৰা এই এয়াৰ ড্ৰ'পেবল কণ্টেইনাৰে নৌসেনাৰ কাৰ্যক্ষম যোগান ব্যৱস্থাক অধিক শক্তিশালী কৰি তুলিব। ইয়াৰ জৰিয়তে উপকূলৰ পৰা বহু আঁতৰত গভীৰ সমুদ্ৰত মোতায়েন হৈ থকা নৌযানসমূহ বিপদত পৰিলে বা অত্যাৱশ্যকীয় সামগ্ৰী, সঁজুলি আৰু চিকিৎসা সহায়ৰ প্ৰয়োজন হ'লে তাৎক্ষণিকভাৱে সহায় প্ৰদান কৰা সম্ভৱ হ'ব।

প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটাবিবৃতিত প্ৰকাশ কৰিছে যে, ভাৰতীয় নৌসেনাৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে কম সময়ৰ ভিতৰতে পি-এইট-আই বিমানৰ বাবে এডিচি-150 প্ৰণালীটো বিকাশ আৰু পৰীক্ষাৰ জৰিয়তে সক্ষম ঘোষণা কৰা হৈছে। সকলো উন্নয়নমূলক বিমান পৰীক্ষা সফলভাৱে সম্পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত শীঘ্ৰে এই ব্যৱস্থা ভাৰতীয় নৌসেনাত অন্তৰ্ভুক্ত হোৱাৰ সম্ভাৱনা আছে।

ooooo

পশ্চিম এছিয়াত চলি থকা সংঘাত দ্বিতীয় সপ্তাহত প্ৰৱেশ কৰাৰ লগে লগে হৰমুজ জলসন্ধিৰে বাণিজ্যিক সমুদ্ৰপথেৰে জাহাজ চলাচল প্ৰায় সম্পূৰ্ণ স্থবিৰ হৈ পৰিছে। তেলবাহী টেংকাৰ চলাচল ৮০ শতাংশতকৈও অধিক হ্ৰাস পাইছে আৰু বৰ্তমান প্ৰায় ১৫০খন তেলবাহী টেংকাৰ জলসন্ধিৰ বাহিৰৰ মুক্ত সমুদ্ৰত ৰখাই থোৱা হৈছে। এই জাহাজসমূহত আনুমানিক ১৬ বিলিয়ন লিটাৰ তেল সঞ্চিত হৈ আছে আৰু পৰিস্থিতি স্বাভাৱিক হোৱালৈ অপেক্ষা কৰি থকা হৈছে। জলসন্ধিৰ সমীপৰ অন্ততঃ দহখন বাণিজ্যিক জাহাজ - প্ৰক্ষেপাস্ত্ৰ অথবা মানৱবিহীন ড্ৰ'নৰ আঘাতত ক্ষতিগ্ৰস্ত হোৱাৰ খবৰ আহিছে। ইয়াৰ লগতে সমগ্ৰ পাৰস্য উপসাগৰ অঞ্চলত উপগ্ৰহ-নিয়ন্ত্ৰিত অৱস্থান নিৰ্ণয় ব্যৱস্থাৰ সংকেত বিঘ্নিত হোৱাৰ ফলত সমুদ্ৰপথত চলাচল অধিক বিপজ্জনক হৈ পৰিছে।

এই পৰিস্থিতিৰ মাজতে ফ্ৰান্সে ইউৰোপীয় দেশসমূহৰ এক যৌথ নৌ-সহায় ব্যৱস্থা সংগঠিত কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে। দেশখনৰ ৰাষ্ট্ৰপতি ইমানুৱেল মাক্ৰোৱে বাণিজ্যিক জাহাজসমূহক সুৰক্ষিতভাৱে এই জলপথ অতিক্ৰম কৰাত সহায় কৰাৰ উদ্দেশ্যে এটা সমন্বিত গোট গঠনৰ ঘোষণা কৰিছে। তেওঁ এই অভিযানক সম্পূৰ্ণৰূপে সুৰক্ষামূলক পদক্ষেপ বুলি উল্লেখ কৰে।

তেওঁ লগতে জনায় যে এই পদক্ষেপ - অঞ্চলটোত ইতিমধ্যে চলি থকা ইউৰোপ নেতৃত্বাধীন সমুদ্ৰ সুৰক্ষা অভিযানৰ জৰুৰী বিস্তাৰ হিচাপে কাৰ্যকৰী হ'ব।
ফ্ৰান্সে ইতিমধ্যে নিজৰ মুখ্য যুদ্ধজাহাজ চাৰ্লছ্-ডি-গ'ল অঞ্চলটোলৈ প্ৰেৰণ কৰিছে। গ্ৰীচ, চাইপ্ৰাছ আৰু নেদাৰলেণ্ডেও এই অভিযানত অংশগ্ৰহণ নিশ্চিত কৰিছে।

আমাৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি, ইউৰোপীয় দেশসমূহে এই অভিযানক ইৰাণৰ বিৰুদ্ধে আমেৰিকাৰ চলি থকা সামৰিক কাৰ্যকলাপৰ পৰা পৃথক কৰি ৰাখিবলৈ সতৰ্কতা অৱলম্বন কৰিছে। কিয়নো সংঘাতত আমেৰিকা মুখ্য যুঁজাৰু পক্ষ হিচাপে জড়িত থকাৰ বাবে বহু ইউৰোপীয় আৰু উপসাগৰীয় চৰকাৰে আমেৰিকাৰ আক্ৰমণাত্মক পদক্ষেপৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত বুলি ধৰা পৰাৰ আশংকা প্ৰকাশ কৰিছে। সেইবাবে তেওঁলোকে ফ্ৰান্স নেতৃত্বাধীন এই প্ৰচেষ্টাৰ সৈতে সমন্বয় স্থাপন কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে।

ইপিনে, আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ঘোষণা কৰিছে যে দেশখনৰ নৌবাহিনীয়েও শীঘ্ৰে বাণিজ্যিক জাহাজসমূহৰ সুৰক্ষাৰ উদ্দেশ্যে নিজস্ব নৌ-নিৰীক্ষণ ব্যৱস্থা আৰম্ভ কৰিব। লগতে সমুদ্ৰ বাণিজ্যৰ ক্ষেত্ৰত ৰাজনৈতিক আশংকা বীমা সুবিধা আগবঢ়োৱাৰ কথাও তেওঁ উল্লেখ কৰিছে।

০০০০০

নৱীন আৰু নৱীনকৰণযোগ্য শক্তি মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে যোৱা এটা দশকত অজৈৱিক উৎসৰ পৰা দেশত বিদ্যুৎ উৎপাদনৰ ক্ষমতা ৮১ গিগাৱাটৰ পৰা প্ৰায় ২৭৫ গিগাৱাটলৈ বৃদ্ধি পাইছে বুলি উল্লেখ কৰিছে। নতুন দিল্লীত কালি ৰাষ্ট্ৰীয় কৃষি নৱীকৰণযোগ্য শক্তি সন্মিলনক সম্বোধন কৰি শ্ৰীযোশীয়ে কয়, যে সৌৰশক্তি চালিত জলসিঞ্চন ব্যৱস্থাই দেশৰ কৃষি আৰু শক্তি খণ্ডত বৃহৎ পৰিৱৰ্তন আনিব পাৰে। তেওঁ লগতে কয়, যে প্ৰযুক্তিয়ে কৃষকসকলক দিনৰ ভাগত বিশ্বাসযোগ্য জলসিঞ্চন ব্যৱস্থা প্ৰদানৰ জৰিয়তে দীৰ্ঘস্থায়ী কৃষি ব্যৱস্থাক উদগণি যোগাব। কৃষি খণ্ড সৌৰশক্তি ব্যৱহাৰৰ সম্প্ৰসাৰণ কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা যোজনাসমূহৰ ক্ষেত্ৰতো মন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে পি এম কুসুম আঁচনিৰ অধীনত ১০ লাখতকৈও অধিক স্বয়ংক্ৰিয় সৌৰ কৃষি পাম্প স্থাপন কৰাৰ লগতে ১৩ লাখতকৈও অধিক গ্ৰীডৰ সৈতে সংযুক্ত পাম্পসমূহক সৌৰশক্তিৰ দ্বাৰা চালিত কৰা হৈছে। তেওঁ প্ৰধানমন্ত্ৰী সূৰ্যঘৰ-বিনামূলীয়া বিদুৎ আঁচনিৰ অধীনত ৩১ লাখতকৈ অধিক পৰিয়ালে ঘৰৰ মুধূচত সৌৰ পেনেল স্থাপন কৰাৰ ফলত যথেষ্ট লাভান্বিত হৈছে। শ্ৰীযোশীয়ে কয়, যে চৰকাৰে পি এম কুসুমৰ দ্বিতীয় পৰ্যায় মুকলি কৰাৰ প্ৰস্তুতি চলাইছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি ইৰানৰ বিদেশমন্ত্ৰী ছৈয়দ আব্বাছ আৰাগচিৰ সৈতে পশ্চিম এছিয়াত চলি থকা যুদ্ধৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত বিতংভাৱে আলোচনা কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীজয়শংকৰে কয়, যে উভয় দেশে এই সংকটৰ সময়ত পাৰস্পৰিক যোগাযোগ

ৰক্ষা কৰিব বুলি সিদ্ধান্ত লৈছে। ইৰান আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ-ইজৰাইলৰ মাজত আৰম্ভ হোৱা যুদ্ধৰ পাছত নেতা দুগৰাকীৰ মাজত এয়া হৈছে তৃতীয়টো টেলিফোনিক বাৰ্তালাপ। শ্ৰীজয়শংকৰে জাৰ্মানৰ বিদেশমন্ত্ৰী জোহান ৱেদেফুল আৰু দক্ষিণ কোৰিয়াৰ বিদেশ মন্ত্ৰী চ্যু হ্যুনৰ সৈতেও পশ্চিম এছিয়াৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰে। দক্ষিণ কোৰিয়াৰ বৈদেশিক মন্ত্ৰীয়ে সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত কৈছে যে পশ্চিম এছিয়াৰ এই পৰিস্থিতিয়ে গোলকীয় সুৰক্ষা আৰু অৰ্থনীতিত যথেষ্ট প্ৰভাৱ পেলাইছে। ভাৰত আৰু দক্ষিণ কোৰিয়াৰ জনসাধাৰণৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে দেশ দুখনে পাৰস্পৰিক যোগাযোগ ৰক্ষা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

ooooo

সমাপ্ত